## পঞ্চম অধ্যায়

# বৃটিছ ভাৰতবৰ্ষ শিক্ষা ঃ সম্পৰীক্ষাৰ এটা কাল (১৯১৮ চনৰ পৰা ১৯৪৭ চনলৈ)

# (Education in British India : A period of experiment (from1918 to 1947)

- হাৰ্টগ কমিটিৰ প্ৰতিবেদন-১৯২৯ চন, পটভূমি **(Hartog Committee Report-1929, Background)**
- কমিটিৰ নিয়োগকৰণ আৰু নিৰ্দেশৰ চৰ্তাৱলী **(Appointment of the Committee and Terms of Reference.)**
- হাৰ্টগ কমিটিৰ প্ৰধান পৰামৰ্শসমূহ **(Major Recommendations of Hartog Committee)**
- ভাৰত চৰকাৰ আইন, ১৯৩৫ চন **(Government of India, Act-1935)**
- শিক্ষাৰ বাবে আইনত থকা প্ৰধান ব্যৱস্থাসমূহ **(Major Provisions in the Act for Education)**
- বুনিয়াদী শিক্ষা — ১৯৩৭ চন, পটভূমি **(Basic Education– 1937, Background)**
- ৱাৰ্দ্ধা শিক্ষা সন্মিলন **(Wardha Education Conference-1937)**
- বুনিয়াদী শিক্ষাত প্ৰধান বৈশিষ্ট্য **(Sailent features of Basic Education)**
- বুনিয়াদী শিক্ষাৰ সমালোচনা **(Criticism of the Basic Education)**
- চাৰ্জেণ্ট প্ৰতিবেদন-১৯৪৪ **(The Sargent Report-1944)**

### হাৰ্টগ কমিটিৰ প্ৰতিবেদন (Report of Hartog Committeee) :

১৯২৮ চনৰ মে মাহত চাইমন আয়োগে ভাৰতবৰ্ষত শিক্ষাৰ বিষয়ে অধ্যয়ণ কৰি পৰামৰ্শ দিবলৈ এখন সহায়কাৰী কমিটি (Auxiliary Committee) গঠন কৰিছিল। এই আয়োগৰ সভাপতি আছিল চাৰ ফিলিপ হাৰ্টগ। তেওঁৰ নামেৰেই আয়োগখনক হাৰ্টগ কমিটি স্বৰূপে জনা যায়। চাৰ. ফিলিপ হাৰ্টগ ভাৰতীয় শিক্ষাৰ সৈতে জড়িত এজন অভিজ্ঞ লোক আছিল। তেও আছিল কলিকতা বিশ্ববিদ্যালয় আয়োগৰ সদস্য আৰু ঢাকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য।



### পটভূমি (Background) :

১৯৯১ চনত ‘ভাৰত প্ৰশাসন আইন (Goverment of India ) প্ৰস্তুত কৰাৰ পিছত (যাক মন্ট ফোৰ্ড সংস্কাৰ সাধন নামে জনা যায়) ভাৰতবৰ্ষত দ্বৈত প্ৰশাসন ব্যবস্থা গ্ৰহণ কৰা হয়। এই সংস্কাৰ সাধনৰ ফলস্বৰূপে প্ৰাদেশিক চৰকাৰবোৰৰ শাসন ক্ষমতা দুটা ভাগত বিভক্ত কৰা হয়। এটা হ'ল সংৰক্ষিত আৰু আনটো হল স্থানান্তৰিত। আইন-শৃংখলা, পুলিচ আদি বিষয় সংৰক্ষিত আৰু শিক্ষা, স্বাস্থ্য আদি সমূহ স্থানান্তৰিত তালিকাত ৰখা হয়। ৰাজ্য চৰকাৰে সমাজত প্ৰৰ্বতন কৰা এই প্ৰশাসনীয় ব্যৱস্থাকেই দ্বৈত শাসন ব্যৱস্থা নামে জনা যায়।

দ্বৈত শাসনৰ নতুন সাংবিধানিক ব্যৱস্থা অনুসৰি শিক্ষা বিভাগ স্থানান্তৰিত বিষয়ৰ তালিকাত অৰ্ন্তভূক্ত হয়। ৰাজ্যিক নিৰ্বাচনী পৰিষদৰ নিৰ্বাচিত শিক্ষামন্ত্ৰীসকলে ইয়াৰ দায়িত্ব গ্ৰহণ কৰে। গতিকে এই মন্ত্ৰীসকলে ভাৰতবৰ্ষৰ শিক্ষাৰ সংস্কাৰৰ বাবে নিজৰ বিবেচনা তথা স্থানীয় লোকসকলৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি নতুন নতুন শিক্ষা আচনি গ্ৰহণ কৰে। কিন্তু তেওলোকৰ উৎসাহক চেচাপানী ঢালি আচনি সমূহ কাৰ্য্যকৰী কৰা বা অৰ্থসাহাৰ্য্য প্ৰদান কৰা নহল। কাৰণ অৰ্থ আৰু ৰাজহ বিষয় সংৰক্ষিত তালিকাত থকাৰ বাবে তাৰ ক্ষমতা বৃটিছ গবৰ্ণৰেহে ব্যৱহাৰ কৰিব পৰা হয়। আনহাতে শিক্ষা বিষয় ৰাজ্যিক মন্ত্ৰীসকলৰ হাতত থাকিলেও ভাৰতত থকা ইউৰোপীয় আৰু এংগলো ইণ্ডিয়ান সকলে ভাবিছিল যে ইয়াৰ ফলত তেওলোকৰ স্বাৰ্থ সুৰক্ষিত নহব। গতিকে শিক্ষামন্ত্ৰী সকলক তেওলোকৰ কাৰ্য সম্পাদনৰ ক্ষেত্ৰত কিছুমান বাধা আৰোপ কৰা হৈছিল অথবা কিছু ক্ষমতা কৰ্তন কৰিহে এই বিভাগ তেওলোকক দিছিল। এনেকুৱা পৰিস্থিতিত ৰাজ্যিক শিক্ষামন্ত্ৰীসকলে ইংৰাজ সকলৰ লগত যুজ কৰিব লগীয়া হৈছিল। তেওলোকে বুজি উঠিছিল যে দ্বৈত শাসন ব্যৱস্থাই আচলতে তেওঁলোকক কোনো ক্ষমতা প্ৰদান নকৰিলে, ই ক্ষমতা হস্তান্তৰৰ নামত এক প্ৰহসনহে মাত্ৰ। ফলত জাতীয়তাবাদী লোক সকল আগতকৈও অধিক বৃটিছ বিদ্ৰোহী হৈ উঠিল আৰু জাতীয় আন্দোলনে অধিক তীব্ৰতৰ ৰূপ ধাৰণ কৰিলে। ১৯২০ চনত কলিকতাত বহা কংগ্ৰেছৰ জাতীয় সভাই মহাত্মাগান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। তেওলোকে স্ব-ৰাজ্যৰ দাবী উত্থাপন কৰে। এই আন্দোলনত ভাৰতবৰ্ষৰ সকলো শ্ৰেণীৰ লোকেই অংশ গ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী, শিক্ষক আনকি প্ৰাদেশিক চৰকাৰৰ শিক্ষামন্ত্ৰী সকলেও চৰকাৰ ত্যাগ কৰি আন্দোলনত জপিয়াই পৰে।

### হাৰ্টগ কমিটিৰ নিযুক্তি আৰু ইয়াৰ কাৰ্য্যপৰিসৰ (Appointment of Hartog Committee and it's Terms of Reference

ভাৰৰতবৰ্ষৰ এনেকুৱা অশান্ত অৱস্থা এটাৰ সময়তেই ১৯২৬ চনত লৰ্ড আৰুইন (Lord Irwin) নতুন ৰাজ প্ৰতিনিধি স্বৰূপে ভাৰতলৈ আহে। তেও চাৰ জন চাইমনৰ নেতৃত্বত ভাৰতৰ সংবিধানিক ব্যৱস্থাৰ এক অধ্যয়নৰ বাবে আৰু সেই অধ্যয়নৰ পিছত চৰকাৰক প্ৰয়োজনী পৰামৰ্শ দিবলৈ এখন আয়োগ গঠন কৰে। চাইমন আয়োগত এজনো ভাৰতীয় লোক সদস্য হিচাপে নাছিল। ফলস্বৰূপে ভাৰতীয় সকলে ইয়াক বৰ্জন কৰে আৰু তেওলোকৰ আগমনৰ দিনা ভাৰতত হৰতাল পালন কৰে। সি যি কি নহওক, চাইমন আয়োগে

যিহেতু ভাৰতৰ ৰাজনৈতিক আৰু সাংবিধানিক ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰিছিল তাত শিক্ষা বিষয়ো অন্তৰ্ভূক্ত হৈ আছিল। সেয়েহে আয়োগে অন্যান্য দিশৰ অধ্যয়নত ব্যস্ত থাকিব লগীয়া হোৱাৰ বাবে শিক্ষা বিষয়ত বিস্তৃত অধ্যয়নৰ বাবে এখন সহায়কাৰী সমিতি গঠন কৰিলে। এই আয়োগৰ সভাপতিৰ দায়িত্ব দিয়া হ'ল চাৰ ফিলিপ হাৰ্টগক।

হাৰ্টগ কমিটিয়ে ভাৰতত শিক্ষাৰ বিস্তৃত অধ্যয়ণ কৰাৰ পিছত শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত ভালেমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াই। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কমিটিয়ে বিশেষভাৱে উল্লেখ কৰে যে এই ক্ষেত্ৰত অপচয় আৰু অনুন্নয়ন মূল সমস্যা হিচাপে দেখা দিছে। ভাৰতবৰ্ষত সৰহভাগলোক গ্ৰামাঞ্চলত বাস কৰে। এই লোক সকলৰ মাজত দৰিদ্ৰতা, নিৰক্ষৰতা , অন্ধবিশ্বাস, সংৰক্ষণশীলতা, মহামাৰী আদি থকাৰ ফলত ই শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হিচাপে ঠিয় দিছে। ইয়েই অপচয় আৰু স্থবিৰতাৰ মূল কাৰণ হাৰ্টগ কমিটিৰ মতে অপচয় মানে হ'ল - স্কুলীয়া শিক্ষা সম্পূৰ্ণ নকৰাকৈ অকালতে স্কুল এৰি দিয়া কাৰ্য্য। ইয়ে শিক্ষাৰ বাবে খৰছ কৰা টকা-পইচা আৰু সময় সকলো অপচয় কৰি পেলায়। কমিটিয়ে অপচয়ৰ ক্ষেত্ৰত এই কথাও লক্ষ্য কৰিছিল যে অপচয়ৰ পৰিমাণ লৰাতকৈ ছোৱালীৰ ক্ষেত্ৰত অধিক।

কমিটিৰ মতে অনুন্নয়ন বা স্থবিৰতাৰ অৰ্থ হ'ল শিশু এটা একেটা শ্ৰেণীতে এবছৰতকৈ অধিক সময় আবদ্ধ থকা। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা অগ্ৰগতি লাভ কৰিব নোৱাৰে। আনকি এনেদৰে থকাৰ ফলত অৱশেষত বহুতো লৰা-ছোৱালী বিদ্যালয়লৈ নহাকৈও থাকে, যি শেষত অপচয়ৰ সমস্যাৰ সৃষ্টি কৰে। অনুন্নয়নৰ মাত্ৰা আৰু শ্ৰেণী সমূহত আৰু ছোৱালীৰ ক্ষেত্ৰত অধিক হোৱা দেখা যায়। বিভিন্ন কাৰণ সমূহৰ ভিতৰত অভিভাবকৰ দৰিদ্ৰতা, সচেতনতাৰ অভাৱ, এজনীয়া শিক্ষকৰ বিদ্যালয়, অনাকৰ্ষণীয় বিদ্যালয় আৰু শিক্ষাদান পদ্ধতি, পৰিদৰ্শনৰ অভাৱ, শিক্ষকৰ প্ৰয়োজনীয় অৰ্হতাৰ অভাৱ আদি বিশেষ ভাৱে উল্লেখযোগ্য।

## হাৰ্টগ কমিটিৰ মূল পৰামৰ্শ সমূহ (Main recommendations of Hartog Committee)

হাৰ্টগ কমিটিয়ে ভাৰতত শিক্ষাৰ বিভিন্ন দিশ অধ্যয়ন কৰাৰ পিছত ১৯২৯ চনৰ চেপ্তেম্বৰ মাহত কমিটিৰ প্ৰতিবেদন দাখিল কৰে। কমিটিয়ে ভাৰতবৰ্ষৰ সমগ্ৰশিক্ষা ব্যৱস্থা অধ্যয়ন কৰি এই কথা অনুভৱ কৰিছিল বা দেখিছিল যে ভাৰতত শিক্ষাৰ প্ৰতি সাধাৰণ মানুহৰ ধাউটি বাঢ়িছে। কাৰণ বিদ্যালয় সমূহত নামভৰ্ত্তিৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। আনহাতে মহিলা সকলৰ মাজতো সামাজিক আৰু ৰাজনৈতিক সচেতনতা বৃদ্ধি পাইছে। ইয়াৰ ফলস্বৰূপে মহিলা শিক্ষাৰ চাহিদা বৃদ্ধি পাইছে। সেই একেই কথা মুছলমান সকল আৰু অনুন্নত লোক সকলৰ ক্ষেত্ৰতো প্ৰযোজ্য হোৱা দেখা গৈছে। তেওঁলোকেও শিক্ষাৰ সুযোগ লবলৈ আগবাঢ়ি আহিছে। শিক্ষামন্ত্ৰী সকলেও মানুহৰ শিক্ষাৰ সুবিধাৰ বাবে অধিক অৰ্থ সাহাৰ্য্যৰ ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। কিন্তু শিক্ষাৰ এই প্ৰসাৰতাৰ বিপৰীতে শিক্ষাৰ মানদণ্ডৰ কিন্তু বিশেষ উন্নতি হোৱা নাই। সেয়েহে কমিটিয়ে শিক্ষাৰ গুণগত মানদণ্ড বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

তলত হাৰ্টক কমিটিৰ মূল পৰামৰ্শ সমূহ চমুকৈ আলোচনা কৰা হ'ল -



## প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত দিয়া পৰামৰ্শ সমূহ (Recommendations on Primary Education)

প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কমিটিয়ে আগবঢ়োৱা মূল পৰামৰ্শ সমূহ হ'ল —

১। প্ৰাথমিক শিক্ষাৰ শিক্ষাকাল অতিকমেও ৪ বছৰ হব লাগে।

২। প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম উদাৰ মনোভাবৰ হব লাগে।

৩। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব লাগে যদিও ইয়াৰ বাবে খৰখেদা নকৰি ইয়াক বাধ্যতামূলক কৰাৰ বাবে উপযুক্ত পৰিবেশ ৰচনা কৰিব লাগে।

৪। এই শিক্ষাৰ সংখ্যাগত দিশৰ বিকাশতকৈ গুণগত দিশৰ বিকাশক অধিক গুৰুত্ব দিব লাগে।

৫। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ সাধাৰণ শিক্ষাৰ মানদণ্ড উন্নত কৰিব লাগে, শিক্ষকৰ প্ৰশিক্ষণৰ কাল বৃদ্ধি কৰিব লাগে আৰু শিক্ষাৰ অনুষ্ঠান সমূহত উপযুক্ত লোকক নিয়োগ কৰি তেওলোকক অধিক পাৰদৰ্শী কৰি তুলিব লাগে।

৬। শিক্ষক সকলৰ বাবে পৰিশীলন (Refresher Course) পাঠ্যক্ৰমৰ বাৱস্থা কৰা।

৭। শিক্ষকৰ দৰমহা তথা সা-সুবিধা বৃদ্ধি কৰিব লাগে যাতে এই বৃত্তিৰ প্ৰতি উপযুক্ত মানদণ্ডৰ লোক আকৰ্ষিত হয় বা ভাল সকল এই বৃত্তিত থাকি যায়।

৮। বিদ্যালয়ৰ সময় আৰু বন্ধৰ দিন স্থানীয় প্ৰয়োজনৰ প্ৰতি লক্ষ্যৰাখি নিৰ্ধাৰণ কৰিব লাগে।

৯। প্ৰাথমিক বিদ্যালয়ৰ তলৰ শ্ৰেণীসমূহত অধিক গুৰুত্ব আৰোপ কৰিব লাগে যাতে এই স্তৰত সংঘটিত হৈ থকা যথেষ্ট পৰিমানৰ যি অপচয় আৰু স্থবিৰতা, তাক ৰোধ কৰি পাৰি।

১০। চৰকাৰৰ পৰিদৰ্শনকাৰী বিষয়াৰ পৰিমাণ বৃদ্ধি আৰু ইয়াক অধিক শক্তিশালী কৰি তুলিব লাগে।

১১। প্ৰাথমিক বিদ্যালয় সমূহে গ্ৰামাঞ্চলৰ উন্নতিৰ হকে কামকৰি ইয়াক গ্ৰাম্য অঞ্চলৰ উন্নয়ন কেন্দ্ৰ স্বৰূপে গঢ়ি তুলিব লাগে।

১২। স্থানীয় কৰ্তৃপক্ষৰ হাতত প্ৰাথমিক শিক্ষাৰ সকলো দায়িত্ব এৰি দিয়াৰ পৰিবৰ্তে চৰকাৰে এই ক্ষেত্ৰত প্ৰয়োজনীয় নিয়ন্ত্ৰণ ক্ষমতা প্ৰয়োগ কৰিব লাগে আৰু প্ৰয়োজনীয় যোগ্যতা বৃদ্ধি কৰি প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় গুৰুত্ব আৰোপ কৰিব লাগে কিয়নো প্ৰাথমিক শিক্ষা হ'ল এটা জাতীয় গুৰুত্বপূৰ্ণ বিষয়।

## মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শ সমূহ (Recommendations on Secondary Education)

মাধ্যমিক স্তৰৰ শিক্ষাৰ ক্ষেত্ৰত কমিটিয়ে বিশেষভাৱে এই কথাটো লক্ষ্য কৰিছিল যে মাধ্যমিক স্তৰৰ সমগ্ৰ শিক্ষা ব্যৱস্থা মেট্ৰিক পৰীক্ষাৰ দ্বাৰা প্ৰভাবিত হৈ আহিছে। বিশেষকৈ মেট্ৰিক পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ অকৃতকাৰ্য্যতাৰ পৰিমাণ বহুত বেছি। গতিকে এই কথাটো বিশেষভাৱে লক্ষ্য ৰাখি কমিটিয়ে মাধ্যমিক শিক্ষা বিকাশৰ বাবে তলত দিশ মূল পমামৰ্শ সমূহ আগবঢ়াইছিল -

১। মাধ্যমিক পৰ্য্যায়ৰ বিদ্যালয় সমূহক পুনৰ গঠন কৰি ইয়াক গ্ৰামাঞ্চলৰ প্ৰয়োজনৰ সৈতে খাপ খুৱাই তুলিব লাগে।

২। এই বিদ্যালয় সমূহত অধিক পৰিমাণে বহুমুখী পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।
৩। মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাৰ ক্ষেত্ৰত উদ্যোগীক আৰু বাণিজ্যিক ক্ষেত্ৰত সংস্থাপনৰ সহায়ক হোৱাকৈ নতুন বিকাশ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।
৪। কাৰিকৰী আৰু উদ্যোগীক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
৫। মাধ্যমিক বিদ্যালয়ত শিক্ষক সকলৰ প্ৰশিক্ষণ আৰু চাকৰিৰ অৱস্থা অধিক উন্নত কৰি তুলিব লাগে।
৬। শিক্ষক সকলক উপযুক্ত দৰমহা দি চাকৰিৰ নিৰাপত্তা প্ৰদান কৰিব লাগে যাতে অধিক উপযুক্ত লোকক এই বৃত্তিৰ প্ৰতি আকৰ্ষিত কৰিব পাৰি।

### উচ্চ শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শ সমূহ (Recommendations on Higher Education)

হাৰ্টগ কমিটিয়ে ভাৰতত উচ্চ শিক্ষাৰ বিকাশৰ বাবে ইয়াক প্ৰসংশা কৰিছে যদিও এই ক্ষেত্ৰত থকা কিছুমান দিশৰ অসুবিধা তথা বিফলতাৰ কথাও উল্লেখ কৰিছে। উদাহৰণ স্বৰূপে, বিশ্ববিদ্যালয় সমূহে সমাজত সংস্কাৰগত অথবা মানদণ্ডগত ভাবে নেতৃত্ব দিব পৰা লোকৰ সৃষ্টিত বিফল হৈছে, মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাৰ নিম্ন মানদণ্ডই উচ্চ শিক্ষাত প্ৰভাৱ পেলাইছে, বিশ্ববিদ্যালয়ে শিক্ষাৰ ক্ষেত্ৰতো নিবনুৱাৰ সৃষ্টি হবলৈ আৰম্ভ কৰিছে আদি। এই ক্ষেত্ৰ কমিটিয়ে আগবঢ়োৱা মূল পৰামৰ্শ সমূহ হ'ল —

১। উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে মাধ্যমিক পৰ্য্যায়ত শিক্ষাৰ উন্নতি সাধন কৰিব লাগে।
২। উচ্চ শিক্ষাৰ বৰ্ধিত চাহিদালৈ লক্ষ্যৰাখি আবাসিক বিশ্ববিদ্যালয়ৰ উপৰিও সংবদ্ধকৰণকাৰী (Affiliating University) বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।
৩। বিশ্ববিদ্যালয়ত সুসজ্জিত পুথিভঁৰাল স্থাপন কৰিব লাগে।
৪। বিশ্ববিদ্যালয়ৰ নামভৰ্ত্তিকৰণৰ নীতি অধিক কঠোৰ হব লাগে আৰু প্ৰকৃত আগ্ৰহ অভিৰুচি আৰু মেধাশক্তি থকা ছাত্ৰকহে অধ্যয়ণৰ সুবিধা দিব লাগে।
৫। অৰ্নাচ বিষয়ক পাঠ্যক্ৰম সুসংগঠিত কৰিব লাগে আৰু উপযুক্ত ছাত্ৰকহে ইয়াত অধ্যয়ণৰ সুযোগ দিব লাগে।
৬। বিশ্ববিদ্যালয়ত নিয়োগ বিভাগ স্থাপন কৰি ইয়াৰ যোগেদি নিয়োগ সন্ধানী যুৱক-যুৱতীক চাকৰিৰ প্ৰয়োজনীয় তথ্যৰ যোগান ধৰিব লাগে।
৭। স্নাতক ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীক চাকৰিৰ সুবিধা প্ৰদান কৰিব লাগে।
৮। উচ্চ শিক্ষাৰ জ্ঞানৰ যোগেদি সৰ্বসাধাৰণৰ মনত ৰাজনৈতিক আৰু সামাজিক সচেতনতাক বৃদ্ধিৰ ব্যৱস্থা কৰিব লাগে।

### মহিলা শিক্ষা সম্বন্ধে পৰামৰ্শ সমূহ (Recommendations on Woman Education)

হাৰ্টগ কমিটিয়ে মহিলা শিক্ষাৰ বিকাশৰ বিষয়ে ভালেমান পৰামৰ্শ আগবঢ়াইছিল। কমিটিয়ে লক্ষ্য কৰিছিল যে ভাৰতত মহিলা শিক্ষা লৰাতকৈ কম চহৰৰ তুলনাত গাওঁ অঞ্চলত মহিলা শিক্ষাৰ্থীৰ সংখ্যা সীমিত,



ছোৱালী শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যাৰ বাবেই মহিলা শিক্ষয়িত্ৰীৰ সংখ্যাও একেবাৰে সীমিত হৈ আছে। এনেবোৰ সমস্যাৰ সমাধানৰ বাবে কমিটিয়ে তলত দিয়া পৰামৰ্শ সমূহ আগবঢ়াইছিল।

১। ছোৱালী শিক্ষাৰ পাঠ্যক্ৰমত তেওলোকৰ প্ৰয়োজনীয় বিষয় গাৰ্হস্থ্য বিভাগ অন্তৰ্ভুক্ত কৰিব লাগে।
২। গ্ৰামঞ্চলত ছোৱালীৰ বাবে সুকীয়া বিদ্যালয় স্থাপন কৰিব লাগে। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত ছোৱালী বিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰিব লাগে।
৩। মহিলা শিক্ষক আৰু পৰিদৰ্শকৰ সংখ্যা বৃদ্ধি কৰিব লাগে।
৪। পৰ্য্যায়ক্ৰমে ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰি তুলিব লাগে।
৫। ছোৱালী সকলেই দেশৰ ভবিষ্যৎ প্ৰজন্মৰ মাতৃ, সেয়েহে তেওলোকৰ শিক্ষাক অগ্ৰাধিকাৰ দিব লাগে।

### আন আন পৰামৰ্শ সমূহ (Other Recommendations on Education)

হাৰ্টগ কমিটিয়ে ভাৰতত শিক্ষাৰ বিকাশত আগবঢ়োৱা আন কেইটামান গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল —

১। দিল্লীত এখন কেন্দ্ৰীয় শিক্ষা কমিটি গঠন কৰা।
২। শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত অধিক সংখ্যক কৰ্মচাৰী নিয়োজিত কৰা আৰু লগতে পৰিদৰ্শক আৰু উপ-পৰিদৰ্শককৰো অধিক নিয়োগ কৰা যাতে তেওলোকে শিক্ষাধিকৰ্তাক অধিক পৰিমাণে সহযোগ কৰিব পাৰে।
৩। শিক্ষা বিষয়ৰ দায়িত্ব প্ৰাদেশিক চৰকাৰক এৰি দি কেন্দ্ৰীয় চৰকাৰে হাত সাবটি বহি থাকিব নালাগে।
৫। হৰিজন সকলৰ শিক্ষাৰ ক্ষেত্ৰত ভেদাভেদ পৰিহাৰ কৰিব লাগে।
৬। উদ্যোগিক আৰু কাৰিকৰী শিক্ষাৰ বিকাশৰ বাবে শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰিব লাগে।

### কমিটিৰ পৰামৰ্শৱলীৰ সমীক্ষা (Assessment of the Recommendations)

হাৰ্টগ কমিটিৰ পৰামৰ্শৱলী সমূহক চৰকাৰী পক্ষৰ সপক্ষে প্ৰকাশ কৰা এখন দলিল স্বৰূপে গণ্য কৰা হয়। কিয়নো এই প্ৰতিবেদনত চৰকাৰৰ ভালেমান শিক্ষা নিতীৰ প্ৰতিফলন দেখিবলৈ পোৱা গৈছিল। এই প্ৰতিবেদনত চৰকাৰ বিৰোধী কোনো বিশেষ পদক্ষেপৰ কথা উল্লেখিত হোৱা নাছিল। উদাহৰণ স্বৰূপে ভাৰতৰ জাতীয় লোক সকলে শিক্ষাৰ গুণগত দিশতকৈও শিক্ষাৰ সম্পসাৰণত অধিক গুৰুত্ব আৰোপ কৰিছিল। তেওলোকে বিচাৰিছিল যে ভাৰতৰ সকলো মানুহকে শিক্ষা দিবলৈ হলে শিক্ষাৰ সুবিধাৰ সৈতে সম্প্ৰসাৰণ কৰিব লাগিব। কিন্তু ইয়াৰ বিপৰীতে হাৰ্টগ কমিটিয়ে শিক্ষা সম্প্ৰসাৰণৰ পৰিবৰ্তে গুণগত দিশতহে অধিক গুৰুত্ব আৰোপ কৰিবলৈ পৰামৰ্শ দিছিল। ফলত ভাৰতত মানুহৰ শিক্ষা সম্প্ৰাসৰণৰ চিন্তাৰ পৰিবৰ্তে লৰ্ড কাৰ্জনৰ শিক্ষা সংকোচিত নীতিতহে হাৰ্টগ কমিটিয়ে সমৰ্থন কৰাৰ নিচিনা হ'ল। গতিকে জাতীয়তাবাদী নেতা সকলে এই প্ৰতিবেদনত কোনো নতুনত্ব বিচাৰি নাপালে। আনহাতে সেই সময়ৰ পৰিস্থিতিও শিক্ষাৰ অনুকুল নাছিল। কাৰণ দ্বিতীয় বিশ্বযুদ্ধ, অৰ্থনৈতিক সংকট।

ৰাজনৈতিক অস্থিৰতাইও শিক্ষাৰ বিকাশত বাধাৰ সৃষ্টি কৰিছিল। বৃটিছ অথবা কেন্দ্ৰীয় চৰকাৰেও শিক্ষাৰ সমুদায় দায়িত্ব প্ৰাদেশীক চৰকাৰ সমূহক দিবলৈ বিচৰা নাছিল।

কিন্তু সি যি কি নহওক, হাৰ্টগ কমিটিয়ে ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত এক ঐতিহাসিক তাৎপৰ্য বহন নকৰাকৈ থকা নাই। কিয়নো এই কমিটিৰ প্ৰতিবেদনত ভাৰতৰ শিক্ষাৰ এখন স্পষ্ট ছবি ফুটি উঠিছে। তেওলোকৰ উদ্দেশ্য যিয়েই নহওক শিক্ষাৰ বিভিন্ন স্তৰত কৰা তেওলোকৰ অধ্যয়নে ভাৰতৰ শিক্ষাৰ বিকাশ বিভিন্ন দিশ উম্মোচিত কৰিবলৈ সক্ষম হৈছিল। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত তেওলোকে অপচয় আৰু অনুন্নয়নত দুটা মূল সমস্যাৰ বিষয়ে অবগত কৰি ইয়াৰ সৈতে জড়িত বিভিন্ন দিশ সমূহ বিশ্লেষণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। ইয়াৰ উপৰি বিদ্যালয় সমূহৰ পৰিদৰ্শন ব্যৱস্থাৰ উন্নয়নৰ বাবেও তেওলোকে পৰামৰ্শ আগবঢ়াইছিল, যি শিক্ষাৰ উন্নয়নৰ বাবে অতি আৱশ্যকীয়। আনহাতে এই কমিটিয়ে শিক্ষকৰ শিক্ষাৰ মান উন্নত কৰা আৰু তেওলোকক দৰমহাৰ লগতে অন্যান্য সা সুবিধা বৃদ্ধিৰ বাবে প্ৰয়োজনীয়পদক্ষেপ লবলৈ চৰকাৰক আহ্বান জনোৱাটোও শিক্ষাৰ উন্নয়নৰ সৈতে জড়িত এটা অতি গুৰুত্বপূৰ্ণ দিশ।

## ভাৰত চৰকাৰৰ আইন, ১৯৩৫ (Government of India Act, 1935)

### আৰম্ভণি (Introduction)

ভাৰত চৰকাৰৰ আইন, ১৯৩৫ খন হ'ল ভাৰতবৰ্ষৰ ৰাজনৈতিক স্বাধীনতা লাভৰ দিশত এটা অতি গুৰুত্বপূৰ্ণ পদক্ষেপ। এই আইনে ভাৰতবৰ্ষত চলি থকা এটা ত্ৰুটিপূৰ্ণ ৰাজসিক প্ৰশাসনীয় ব্যৱস্থাৰ অন্ত পেলায়। ই- ইতিমধ্যে চলি থকা সংৰক্ষিত আৰু স্থানান্তৰিত বিভাগৰ অন্ত পেলায়। এই আইনখনে প্ৰাদেশিক প্ৰশাসনৰ সমগ্ৰ ক্ষেত্ৰখনকে এক মন্ত্ৰানালয় (Ministry) ৰ অধীনলৈ লৈ আহে যি মন্ত্ৰালয় সৰহসংখ্যক নিৰ্বাচিত সদস্যৰ দ্বাৰা গঠিত। এই নতুন শাসন ব্যৱস্থা, যাক জনপ্ৰিয় ভাবে প্ৰাদেশিক স্বায়ত্তশাসন ৰূপে জনা যায়, ১৯৩৭ চনৰ পৰা বৃটিছৰ ভাৰতৰ ১১ খন প্ৰদেশত কাৰ্য্যকৰী কৰা হয়। ইয়াৰ ফলস্বৰূপে শিক্ষা খণ্ডত এক বৃহৎ উন্নতিৰ আশাৰ সঞ্চাৰ হয়। ইয়াৰ আগতে ভাৰতৰ মন্ত্ৰীসকলে সন্মুখিন হৈ অহা বেছিভাগ অসুবিধাও ইয়াৰ ফলত নোহোৱা হৈ পৰে। অৰ্থনৈতিক ক্ষেত্ৰত থকা মণ্ডাৰস্থাৰো পৰিবৰ্তন হয়, ফলত আগতকৈ অধিক মুক্তভাবে অৰ্থনৈতিক কাম-কাজত হাত দিব পৰা হয়। ভাৰতবৰ্ষৰ আটাইতকৈ প্ৰভাবশালী ৰাজনৈতিক সংগঠন কংগ্ৰেছে ১১ খনৰ ভিতৰত ৭ খনতেই দায়িত্ব গ্ৰহণ কৰিছিল আৰু বাকী ৪ খনতে মন্ত্ৰীসকলে সৰহসংখ্যক লোকৰেই সমৰ্থন লাভ কৰিছিল। এনেকুৱা পৰিস্থিতিত সেয়েহে ভবা হৈছিল যে ১৯৩৫ চনত ভাৰত চৰকাৰৰ আইনৰ অধীনত কামকৰা নতুন প্ৰাদেশিক চৰকাৰ সমূহে অধিক সাহসিকতাৰে আৰু মুক্তভাবে শিক্ষাৰ পুনৰ সংগঠনৰ বাবে আচনি প্ৰস্তুত কৰিব আৰু ইয়াক শক্তিশালী ভাবে, দ্ৰুতগতিৰে ৰূপায়ন কৰিব।

দূৰ্ভাগ্যজনকভাবে ভাৰতৰ মানুহৰ এই আশা বাস্তবায়িত নহল। কিয়নো কংগ্ৰেছে অতি কম দিনৰ বাবেহে শাসনত থাকিব পাৰিছিল। কংগ্ৰেছে ১৯৩৭ চনত পোন প্ৰথমবাৰৰ বাবে শাসনৰ দায়িত্ব লৈছিল, কিন্তু মাত্ৰ দুবছৰৰ ভিতৰতে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ ফলত কংগ্ৰেছ আৰু বৃটিছৰ মাজত যুদ্ধ আৰু শান্তিৰ বিভিন্ন



দিশলৈ মতানৈক্য আৰম্ভ হয়। ইয়াৰ ফলত ১৯৪০ চনত তিনিবছৰ কাল সম্পূৰ্ণ নৌহওতেই কংগ্ৰেছে শাসনভাৰ ত্যাগ কৰে।

## এই আইনত শিক্ষাৰ বাবে থকা মূল ব্যৱস্থা সমূহ (Main Provisions of Education in this Act)

১৯১৯ চনৰ আইখনে শিক্ষাক এনেকুৱা এটা বিষয় কৰি তুলিছিল যি আছিল আধা সম্পূৰ্ণ ভাৰতীয়, আধা সংৰক্ষিত, আধা সীমাবদ্ধতাৰে স্থানান্তৰিত আৰু আধা বাধা নোহোৱাকৈ স্থানান্তৰিত।" ( Partly all India , Partly Reserved, Partly Transferred with Limitations and partly Transferred without limitations ) ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইনখনে শিক্ষাৰ ক্ষেত্ৰত থকা এই অসুবিধাজনক অবস্থাৰ ভালেমান উন্নতি সাধন কৰিব পাৰছিল। এই আইনখনে সকলো শৈক্ষিক কাৰ্য্যাৱলীক দুটা মূল ভাগত ভাগ কৰিছিল, সেয়া হ'ল — ১) যুক্তৰাষ্ট্ৰীয় অথবা কেন্দ্ৰিয়) (Federal or Central ) আৰু ২) ৰাজ্যিক (অথবা প্ৰাদেশিক) ( State or Provincial)

১) যুক্তৰাষ্ট্ৰীয় (অথবা কেন্দ্ৰীয়) বিষয় সমূহ ( Federal or Central List )

ক) ৰাজকীয় পুথিভঁৰাল, কলিকতা; ভাৰতীয় সংগ্ৰহালয়, কলিকতা; ৰাজকীয় যুদ্ধ সংগ্ৰহালয়, ভিক্টোৰিয়া ( victoria ) কলিকতা আৰু যুক্তৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত অথবা অৰ্থসাহাৰ্য্য লাভ কৰা যি কোনো অন্যান্য প্ৰতিষ্ঠান ।

খ) সামৰিক বাহিনীৰ শিক্ষা

গ) বেনাৰস হিন্দু বিশ্ববিদ্যালয় আৰু আলীগড় মুছলিম বিশ্ববিদ্যালয়।

ঘ) পৌৰাণিক আৰু ঐতিহাসিক কীৰ্তিস্তম্ভ সংৰক্ষণ

ঙ) পুৰাতত্ব আৰু

চ) কেন্দ্ৰীয় শাসিত অঞ্চলৰ শিক্ষা

**২। ৰাজ্যিক (অথবা প্ৰাদেশিক) বিষয় সমূহ** ( Sate or Provincial List)

ওপৰত উল্লেখিত যুক্তৰাষ্ট্ৰীয় তালিকাত অন্তৰ্ভুক্ত বিষয় সমূহৰ বাহিৰে অন্য সকলো স্তৰৰ বিষয় সমূহ যি সমূহ শিক্ষাৰ সৈতে জড়িত সেই সকলোবোৰেই ৰাজ্যিক অথবা প্ৰাদেশিক বিষয় স্বৰূপে গণ্য কৰা হব।

## বুনিয়াদী শিক্ষা, ১৯৩৭ (Basic Education, 1937)

### পটভূমি : (Background)

জাতিৰ পিতা মহাত্মা গান্ধী কেৱল ভাৰতৰ স্বাধীনতা আন্দোলনৰেই অকল নেতা নাছিল, তেওঁ আছিল এজন মহান শিক্ষাবিদো। তেওঁই ভাৰতবৰ্ষত হস্তশিল্পৰ মাধ্যমেৰে মানুহৰ প্ৰয়োজন ভিত্তিক 'বুনিয়াদী শিক্ষা'ৰ প্ৰবৰ্তন কৰিছিল। ইয়াৰ আগতে গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাত থকা কালছোৱাত আফ্ৰিকীয় আৰু ভাৰতীয় শিশু সকলক শিক্ষা দিয়াৰ উদ্দেশ্যে ত্ৰান্সভাল (transval) নামৰ ঠাইত টলষ্টয় ফাৰ্ম স্থাপন কৰি সফলতা লাভ কৰিছিল।

ভাৰতবৰ্ষলৈ ঘূৰি আহি ১৯১৫ চনত গুজৰাটত সাবৰমতি আশ্ৰম খুলি তাত নিজস্ব শিক্ষাদান পদ্ধতিৰে শিক্ষা দিয়াৰ কাম আৰম্ভ কৰিছিল বাপুৱে। পিছত তেওঁ ১৯৩৫ চনত ৱাৰ্ধাত সেৱাশ্ৰম স্থাপন কৰে। তেতিয়াই মাহাত্মা গান্ধীয়ে তেওঁৰ শিক্ষা সম্পৰ্কীয় নিজস্ব ধাৰণা সমূহৰ বিষয়ে 'হৰিজন' কাকতত এলানি প্ৰবন্ধ ৰচনা কৰে। শিশুৰ শিক্ষা সম্পৰ্কে তেওঁ কৈছিল - 'স্বাক্ষৰতা লাভেই শিক্ষা নহয়। সেয়েহে মই শিশুৰ শিক্ষা এক উপযোগীতামূলক হস্তশিল্প শিক্ষাৰ যোগেদি আৰম্ভ কৰিম আৰু শিশুক শিক্ষা গ্ৰহণৰ মূহুৰ্ত্তৰে পৰা উৎপাদন কৰিব পৰাকৈ সক্ষম কৰি তুলিম।" (Literaracy itself is not education, I would, therefore, begin the chid's education by teaching it a useful handicraft and enabling it to produce from the moment it begins its training.)

## ৱাৰ্দ্ধা শিক্ষা সম্মিলন (Wardha Education Conference)

ভাৰতৰ জাতীয় শিক্ষাৰ ৰূপ স্পষ্ট আৰু সুনিৰ্দ্দিষ্ট কৰাৰ অৰ্থে ১৯৩৭ চনৰ অক্টোবৰ মাহত ৱাৰ্দ্ধাত মহাত্মা গান্ধীৰ অধ্যক্ষতাত প্ৰথম জাতীয় শিক্ষা অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনত বিখ্যাত শিক্ষাবিদ, কংগ্ৰেছৰ নেতা-কৰ্মী তথা সাতখন ৰাজ্যৰ শিক্ষামন্ত্ৰীসকল উপস্থিত আছিল। অধিবেশনত হোৱা বিস্তৃত আলোচনাৰ শেষত জাতিৰ পিতাৰ 'বুনিয়াদী শিক্ষা'ৰ মূল বৈশিষ্ট্যক সামৰি চাৰিটা মুখ্য প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেইকেইটা হ'ল —

১) সমগ্ৰ দেশতে বিনামূলীয়া বাধ্যতামূলক প্ৰাথমিক শিক্ষা ৭ বছৰৰ বাবে প্ৰদান কৰিব লাগে।

২) এনে শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব।

৩) কোনো এক উৎপাদনক্ষম হস্তশিল্পক কেন্দ্ৰকৰি এই শিক্ষা প্ৰক্ৰিয়া গঢ় দি তোলা হ'ব।

৪) এই শিক্ষা ব্যৱস্থাই কালক্ৰমত শিক্ষকৰ বেতন আদি খৰছৰ যোগাৰ কৰিব পাৰিব।

## জাকিৰ হুছেইন কমিটি (Zakir Hussain Committee)

১৯৩৭ চনৰ অক্টোবৰ মাহত ৱাৰ্ধাত বহা শিক্ষা সন্মিলনতে ড° জাকিৰ হুছেইনক সভাপতি স্বৰূপে লৈ এখন কমিটি গঠন কৰা হয় যাক জাকিৰ হুছেইন কমিটি ৰূপে জনা যায়। এই কমিটিৰ মুখ্য উদ্দেশ্য আছিল আলোচিত শিক্ষা ব্যৱস্থাৰ চূড়ান্ত ৰূপ দিয়া আৰু এই সম্পৰ্কীয় পাঠ্যক্ৰম প্ৰস্তুত কৰি তোলা। এই কমিটিয়ে দুমাহৰ পিছত অৰ্থাৎ ১৯৩৭ চনৰ ডিচেম্বৰ মাহত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পিছত ১৯৩৮ চনত হাৰিপুৰা নামৰ ঠাইত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনত জাকিৰ হুছেইন কমিটিৰ প্ৰতিবেদন বিশদভাৱে আলোচনা কৰি মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাক জাতীয় শিক্ষা আঁচনি স্বৰূপে গ্ৰহণ কৰা হয় আৰু ইয়াক কাৰ্য্যত পৰিণত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ১৯৩৯ চনৰ এপ্ৰিল মাহত "হিন্দুস্তানী তালিমি সংঘ" স্থাপন কৰা হয়। নতুন শিক্ষাৰ প্ৰসাৰ তথা প্ৰচাৰৰ বাবে আৱশ্যকীয় সকলো কামৰ দায়িত্ব এই সংঘই বহন কৰে।



## বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম (Curriculum of Basic Education)

ড° জাকিৰ হুছেইন কমিটিয়ে বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম তলত উল্লেখ কৰা ধৰণে নিৰ্দ্ধাৰণ কৰিছিল।

১। মূল শিল্পকৰ্ম

কমিটিয়ে পাঠ্যক্ৰমত কেইবাবিধো স্থানীয় শিল্পকৰ্ম উল্লেখ কৰে। ইয়াৰ পৰা ঠাই বিশেষে প্ৰয়োজন ভিত্তিত যিকোনো এবিধ শিল্পকৰ্মক কেন্দ্ৰ কৰি শিক্ষা ব্যৱস্থা কৰিব পাৰিব। শিল্পকৰ্মসমূহ হ'ল —

ক) বয়ন শিল্প

খ) কাঠৰ কাম

গ) কৃষি কৰ্ম

ঘ) ফল আৰু পাচলিৰ খেতি

ঙ) চৰ্ম শিল্প

চ) মৎস্য পালন

ছ) পুতলা আৰু সাজ-বাচন তৈয়াৰ কৰা

জ) গৃহ শিল্প

ঝ) স্থানীয় শিল্প

২) মাতৃভাষা

৩) গণিত

৪) সামাজিক অধ্যয়ন (বুৰঞ্জী, ভুগোল আৰু পৌৰ বিজ্ঞান)

৫) সাধাৰণ বিজ্ঞান, স্বাস্থ্য বিজ্ঞান আৰু শৰীৰচৰ্চা

৬) চাৰুকলা, চিত্ৰকলা, সংগীত আদি

৭) ক্ৰীড়া আদি

৮) হিন্দী (অহিন্দী ভাষী অঞ্চৰ বাবে)

জাকিৰ হুছেইন কমিটিয়ে বুনিয়াদী শিক্ষাৰ দৈনিক কাৰ্য্যসূচী তলত দিয়া ধৰণে নিৰ্দ্ধাৰণ কৰি দিছিল

| দিনটোৰ কাম | নিৰ্দ্দিষ্ট সময় |
|---|---|
| প্ৰধান শিল্পকৰ্ম | ৩ ঘন্টা ২০ মিনিট |
| মাতৃভাষা | ৪০ মিনিট |
| সংগীত, চিত্ৰকলা, গণনা | ৪০ মিনিট |
| সাধাৰণ বিজ্ঞান আৰু সমাজ অধ্যয়ন | ৩০ মিনিট |
| শৰীৰচৰ্চা | ১০ মিনিট |
| মধ্য বিৰতি | ১০ মিনিট |
| মুঠ | ৫ ঘন্টা ৩০ মিনিট |

এই কমিটিয়ে এবছৰত মুঠ কৰ্মদিনৰ (Working day) সংখ্যা ২৮৮ দিন ধাৰ্য্য কৰিছিল।

**বুনিয়াদী শিক্ষাৰ স্তৰ (Stages of Basic Education) ঃ**

বুনিয়াদী শিক্ষাক মুঠ চাৰিটা ভাগত ভাগ কৰা হয়। সেইকেইটা হ'ল —

১) পূৰ্ব-বুনিয়াদী স্তৰ (Pre-Basic Stage) - ৩ ৰ পৰা ৬ বছৰৰ শিশুৰ বাবে।

২) বুনিয়াদী স্তৰ (Basic) — ৬-১৪ বছৰৰ শিশুৰ বাবে।

৩) উত্তৰ বুনিয়াদী স্তৰ (Post-Basic Stage) - ১৫-১৮ বছৰৰ শিশুৰ বাবে।

৪) প্ৰাপ্তবয়স্ক শিক্ষা (Adult Education) - ১৯ বছৰৰ উৰ্দ্ধৰ বয়সৰ লোকৰ বাবে।

**বুনিয়াদী শিক্ষাৰ মূল বৈশিষ্ট্যসমূহ (Main characteristics of Basic Education) ঃ**

বুনিয়াদী শিক্ষা হৈছে এক ব্যতিক্ৰম ধৰ্মী শিক্ষা ব্যৱস্থা। এই শিক্ষা পদ্ধতিৰ মূল বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণৰ —

১) বুনিয়াদী শিক্ষা একোটা প্ৰধান শিল্প কৰ্মক কেন্দ্ৰ কৰি প্ৰদান কৰা হয়।

২) শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাত এই শিক্ষাই বিশেষ ভাবে গুৰুত্ব আৰোপ কৰে।

৩) এই শিক্ষা ব্যৱস্থাই আৰ্থিক দিশত স্বাৱলম্বৰ ওপৰত সম্পূৰ্ণ গুৰুত্ব আৰোপ কৰে।

৪) ছাত্ৰই দৈহিক পৰিশ্ৰমেৰে যাতে নিজৰ জীৱিকা আৰ্জি ল'ব পাৰে তাৰ বাবে এই শিক্ষা আঁচনিত দৈহিক পৰিশ্ৰমক মৰ্য্যাদা প্ৰদান কৰা হৈছে।

৫) এই শিক্ষাই শিশুৰ দেহ, মন আৰু আত্মাৰ বিকাশৰ যোগেদি সমগ্ৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰি তোলে।

৬) হস্ত-শিল্পৰ যোগেদি এই শিক্ষাই চিন্তা আৰু ক্ৰিয়াৰ সু-সমন্বয় স্থাপন কৰে।

৭) এই শিক্ষাত থকা হস্তশিল্পই ছাত্ৰৰ সৃজনাত্মক ক্ষমতাৰ বিকাশ সাধন কৰে।

৮) বুনিয়াদী শিক্ষাই জাতীয় সংস্কৃতি আৰু মূল্যবোধসমূহক এই শিক্ষাৰ ভিত্তি স্বৰূপে গণ্য কৰে।

৯) এই শিক্ষাৰ অন্যতম উদ্দেশ্য হ'ল- ভাৰতীয় জাতীয় সামগ্ৰিক আৰু ব্যক্তিগত ক্ষেত্ৰৰ মূল প্ৰয়োজনসমূহ পূৰণ কৰা।

১০) এই শিক্ষা ব্যৱস্থা গন্ধীজীৰ অহিংসা সত্য, প্ৰেম, বিশ্বভাতৃত্ব আৰু মানৱসেৱা আদি নীতিৰ ওপৰত প্ৰতিষ্ঠিত।

১১) ইয়াত শিক্ষাদান কাৰ্য্যত শিশুৰ সামগ্ৰিক বাতাবৰণৰ যেনে - শিশুৰ জীৱন, পৰিয়াল, গাঁও, গাৱলীয়া শিল্প আৰু জীৱিকা আদিৰ সমন্বয় সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

১২) বুনিয়াদী শিক্ষাই শিক্ষাৰ্থীক সামাজিক কাৰ্য্যাৱলীৰ লগত জড়িত কৰি আদৰ্শ নাগৰিক ৰূপে দায়িত্ব গ্ৰহণ কৰিবলৈ আৰু নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম কৰি তোলে।



**বুনিয়াদী শিক্ষাৰ সমালোচনা ( Criticism Basic Education)**

বুনিয়াদী শিক্ষাৰ ধাৰণাটো মহামানৱ মহাত্মা গান্ধীয়ে সেই সময়ৰ ভাৰতৰ মানুহৰ অৱস্থা আৰু ভৱিষ্যৎ ভাৰতৰ উন্নয়নৰ কথা চিন্তা কৰি সৃষ্টি কৰিছিল। কিন্তু এই শিক্ষা আঁচনিয়ে যিধৰণে সমাদৰ পাব লাগিছিল, বিভিন্ন কাৰণত সেয়া হৈ নুঠিল। ভাৰতবৰ্ষৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাৰ এক বিশেষ তাৎপৰ্য আছে। বিশেষকৈ বৃটিছৰ শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে মহাত্মা গান্ধীয়ে বুনিয়াদী শিক্ষাৰ যোগেদি এক শক্তিশালী প্ৰতিবাদ সাব্যস্ত কৰিছিল। লগতে ভাৰতবৰ্ষৰ মানুহৰ শিক্ষাৰ যোগেদি কেনেকুৱা পৰিবৰ্তন সাধন কৰিব পাৰি আকৌ তেওঁ ভালদৰে উপলব্ধি কৰিছিল। তলত এই শিক্ষাৰ এক সমালোচন্মক আলোচনা আগবঢ়োৱা হ'ল -

**সমালোচক সকলৰ মতে এই আঁচনিৰ প্ৰধান দুৰ্বলতা বা দোষসমূহ (Demerits of Basic Education) হ'ল —**

১) বুনিয়াদী শিক্ষা পদ্ধতি অকল গাঁও অঞ্চলৰ বাবেহে উপযুক্ত, চহৰাঞ্চলৰ বাবে নহয়।

২) ধৰ্মীয় শিক্ষাৰ কোনো ব্যৱস্থা এই শিক্ষা পদ্ধতিত নথকাৰ ফলত ই শিশুৰ আধ্যাত্মিক বিকাশ বাধাপ্ৰাপ্ত কৰিব পাৰে।

৩) কৰ্মকেন্দ্ৰিক শিক্ষা পদ্ধতি হোৱাৰ ফলত বহুতো শিক্ষানুষ্ঠান কেৱল উৎপাদন কেন্দ্ৰলৈ তথা শিক্ষাৰ্থীসকল শ্ৰমিকলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা থাকে।

৪) দৈনন্দিন কাৰ্য্যসূচীত সৰহভাগ সময় শিল্পকৰ্মৰ নামত খৰছ কৰাৰ ফলত অন্যান্য বিষয় সমূহৰ অধ্যয়ন বাধ্যপ্ৰাপ্ত হয়।

৫) এই শিক্ষা পদ্ধতিত সকলো বিষয়ৰ শিক্ষাৰ লগত কৰ্ম পদ্ধতিৰ সমন্বয় সাধনৰ কথা কোৱা হৈছে যদিও বাস্তৱত এনে কৰা সম্ভৱ নহয়।

৬) শিশুৰ স্বাভাৱিক খেলৰ প্ৰবৃত্তিক এই ব্যৱস্থাই গুৰুত্ব নিদি কেৱল কামৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে।

৭) কেৱল হস্তশিল্পতেই গুৰুত্ব আৰোপ কৰি বৃহৎ শিল্প উদ্যোগ স্থাপনক অৱহেলা কৰা হৈছে।

৮) আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষাৰ অগ্ৰগতিত এই শিক্ষা ব্যৱস্থাই বাধাৰ সৃষ্টি কৰিব পাৰে।

৯) ইংৰাজী ভাষাৰ অধ্যয়নৰ কোনো ব্যৱস্থা এই শিক্ষাত নাই, যাৰ ফলত শিক্ষাৰ্থীৰ উচ্চশিক্ষা বাধাপ্ৰাপ্ত হ'ব পাৰে।

১০ হস্তশিল্পৰ যোগেদি হোৱা উপাৰ্জনৰ ধনেৰে শিক্ষা স্বাৱলম্বী হোৱাৰ ধাৰণাটো বাস্তৱ সন্মত নহয়।

**বুনিয়াদী শিক্ষাৰ গুণ সমূহ (Merits of Basic Education) ঃ**

**সমালোচক সকলৰ মতে এই আঁচনিৰ প্ৰধান গুণ সমূহ (Merits of Basic Education) হ'ল —**

১) বুনিয়াদী শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱা বাবে এই শিক্ষাই শিশুৰ স্বতঃস্ফূৰ্ত আত্মপ্ৰকাশৰ সুবিধা প্ৰদানত সহায় কৰে।

২) এই শিক্ষাই শিক্ষাৰ্থীৰ ইংৰাজী ভাষাৰ প্ৰতি থকা অযুক্তিকৰ আকৰ্ষণ নোহোৰা কৰে।
৩) শিক্ষা বিনামূলীয়া হোৱাত দুখীয়া অভিভাৱকসকলেও নিজৰ সন্তানক শিক্ষা দিবলৈ উৎসাহবোধ কৰে।
৪) এই শিক্ষাই শিশুৰ জাতীয় চৰিত্ৰ গঠনৰ প্ৰতি মনোনিবেশ কৰিছে।
৫) কেৱল শিল্পকৰ্মই নহয়, অন্যান্য প্ৰয়োজনীয় বিষয়সমূহৰো শিক্ষাৰ ব্যৱস্থা কৰাৰ ফলত ই ছাত্ৰক বাস্তৱ জীৱনৰ সমস্যা সমাধানত যথেষ্ট সহায় কৰিব।
৬) বুনিয়াদী শিক্ষাত গ্ৰহণ কৰা কৰ্মকেন্দ্ৰিক শিক্ষা পদ্ধতি মনোবিজ্ঞানৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত।
৭) যিহেতুকে শিল্পকাৰ্য্য নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত স্থানীয় পৰিবেশ আৰু প্ৰয়োজনীয়তাক বিবেচনা কৰা হৈছে, সেয়েহে এই শিক্ষা চহৰ অঞ্চলৰ বাবে অনুপযোগী বোলা কথাষাৰ ভিত্তিহীন।
৮) এই শিক্ষাত শিশুৰ সৃজনী প্ৰতিভাৰ উপযুক্ত ব্যৱহাৰ কৰিব পৰা যায়।
৯) বুনিয়াদী শিক্ষাই শিক্ষাৰ্থীসকলক আৰ্থিকভাৱে স্বাৱলম্বী হোৱাত সহায় কৰিব পাৰে।
১০) এই শিক্ষাই গতানুগতিক শিক্ষাৰ নিস্ক্ৰিয়তা আঁতৰাই শিক্ষাৰ্থীক হাতে-কামে শিক্ষা লাভ কৰাত সহায় কৰে।

## বুনিয়াদী শিক্ষা অকৃতকাৰ্য্য হোৱাৰ কাৰণসমূহ (Causes of the Failure of Basic Education)

মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষা আঁচনিক ভাৰতবৰ্ষত ৰূপায়ন কৰা হৈছিল যদিও কিছু বছৰৰ পিছত বুনিয়াদী বিদ্যালয় সমূহক পুনৰ প্ৰাথমিক বিদ্যালয়লৈ ৰূপান্তৰিত কৰা হয়। এই শিক্ষা ব্যৱস্থা ভাৰতবৰ্ষত অকৃতকাৰ্য্য হোৱাৰ কাৰণসমূহ ফহিয়াইচালে তলত উল্লেখ কৰা কাৰণসমূহেই প্ৰধান বুলিব পাৰে। সেইসমূহ হ'ল —

১) উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ।
২) এই আঁচনিৰ সৈতে জড়িত শিক্ষক তথা অন্যান্য সকলৰ আন্তৰিক প্ৰচেষ্টাৰ অভাৱ।
৩) মূলধনৰ অভাৱ।
৪) কেঁচামাল যোগানৰ ক্ষেত্ৰত থকা অসুবিধা।
৫) জনসাধাৰণৰ সৰ্ব্বাত্মক সহযোগীতাৰ অভাৱ।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে যথেষ্ট চিন্তা-চৰ্চা কৰি ভাৰতৰ মানুহৰ কল্যাণৰ হ'কে বুনিয়াদী শিক্ষাৰ ব্যৱস্থা কৰিছিল যদিও এই আঁচনিৰ অপপ্ৰয়োগ হোৱাৰ ফলত ই সফল হ'ব নোৱাৰিলে। কিন্তু এই কথা অনশ্চিকাৰ্য্য যে তেওঁৰ এই শিক্ষা পদ্ধতিৰ প্ৰাসংগিকতা আজিও আছে।

## চাৰ্জেন্ট প্ৰতিবেদন, ১৯৪৪ (Sargent Report, 1944)

### পটভূমি (Background)

ভাৰতবৰ্ষত ১৯৩৮ চনতেই জাতীয় পৰিকল্পনা সমিতি ( Planning Committee ) গঠনৰ যোগেদি ৰাষ্ট্ৰীয় পৰ্য্যায়ত শিক্ষাৰ পুনৰগঠনৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ত শিক্ষাৰ পুনৰ গঠনৰ বাবে প্ৰচেষ্টা আৰম্ভ কৰা



হৈছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ বাবে এই কাৰ্য্যত ব্যাঘাত জন্মে। দুৰ্ভাগ্যজনকভাৱে ১৯৪৪ চনত ইংৰাজ সকল বিশ্বযুদ্ধত জয় হোৱাটো প্ৰায় নিশ্চিত হৈ উঠে। সেই সময়ত ইংৰাজ প্ৰশাসনৰ শিক্ষা উপদেষ্টা আছিল চাৰ জন চাৰ্জেন্ট (Sir John Sargent) সেয়েহে তেওক ভাৰতবৰ্ষৰ জাতীয় শিক্ষাৰ বিকাশ সাধনৰ বাবে এখন আচনি প্ৰস্তুত কৰাৰ দায়িত্ব অৰ্পন কৰা হয়। সেই অনুসৰি ২২ জন সদস্যৰে গঠিত এখন শিক্ষা কমিটি গঠন কৰা হয়। কমিটিয়ে ১৯৪৪ চনত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা সমিতিক ( Advisory Committee) প্ৰতিবেদন দাখিল কৰে। উপদেষ্টা সমিতিৰ প্ৰতিবেদনৰ পৰামৰ্শ সমূহ গ্ৰহণ কৰি ইয়াৰ কাৰ্যকৰণ কৰিবৰ বাবে চৰকাৰ সেয়েহে চাৰ্জেন্ট কমিটিক কেন্দ্ৰীয় শিক্ষা উপদেষ্টা সমিতিয়ে প্ৰতিবেদন অথবা যোদ্ধোত্তৰ কালত জাতীয় শিক্ষা বিকাশ আচনি ( Education Development Policy ) নামেও জনা যায়। এই আচনিখন আছিল কেন্দ্ৰীয় শিক্ষা উপদেষ্টা সমিতিৰ প্ৰথম সৰ্বাত্মক শৈক্ষিক আচনি। এই আচনি খন হল শিক্ষাৰ সকলো দিশত সমস্যা সমূহ মোকাবিলা কৰাৰ বাবে তৈয়াৰ কৰা এখন আচনি।

## চাৰ্জেন্ট কমিটিৰ প্ৰতিবেদনৰ মূল পৰামৰ্শ সমূহ (Main Recommendations of Sargent Committee)

চাৰ্জেন্ট কমিটিৰ পৰামৰ্শৰ এটা অতি গুৰুত্বপূৰ্ণ দিশ হল এই যে প্ৰতিবেদন সমূহ আছিল ইংৰাজ সকলৰ ভাৰতীয় মানুহৰ শিক্ষা সম্পৰ্কে প্ৰকাশ কৰা শেষৰখন প্ৰতিবেদন। কিয়নো ১৯৪৭ চনত ইংৰাজ সকলে ভাৰতীয় সকলক শাসনৰ ভাৰ অৰ্পন কৰি অৰ্থাৎ ভাৰতবৰ্ষক বৃট্ৰিছ শাসনৰ পৰা মুক্ত কৰি তেওলোকে ভাৰত ত্যাগ কৰে। এই শিক্ষা আচনিখন এনেভাবে তৈয়াৰ কৰা হৈছিল যে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাই ইংৰাজ সকলৰ সমপৰ্য্যায়ৰ স্থান পাবলৈ হলে আৰু কমেও ৩০ বা ৪০ বছৰ সময় লাগিব। প্ৰতিবেদনত এই কথা উল্লেখ কৰা হৈছিল যে 'এই দেশৰ মানুহৰ শিক্ষাৰ ওপৰতেই দেশৰ ভাগ্য নিৰ্ভৰ কৰে' । এই কথা ইয়াত প্ৰকাশ কৰা হৈছিল যে ইংলেণ্ডত যুদ্ধৰ আগতে প্ৰতিজন মানুহৰ শিক্ষাৰ বাবদ খৰছ কৰা হৈছিল ৩৩.২০ টকা কিন্তু ভাৰতবৰ্ষত সেইসময়ত প্ৰতিজন মানুহৰ শিক্ষাৰ বাবদ খৰছ কৰা হৈছিল মাত্ৰ ০.৮৯ টকা। ইয়েই ভাৰতবৰ্ষৰ মানুহৰ শিক্ষাৰ প্ৰতিচ্ছবিখন আমাৰ আগত স্পষ্টকৈ দাঙি ধৰিব পাৰে। যি কি নহওক, চাৰ্জেন্ট কমিটিৰ প্ৰতিবেদনত ভাৰতবৰ্ষৰ সকলো দিশ সামৰি ইয়াৰ উন্নতিৰ বাবে ভালেমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা হৈছে। ইয়াৰে কেইটামান গুৰুত্বপূৰ্ণ পৰামৰ্শ তলত দাঙি ধৰা হ'ল।

## প্ৰাক্ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত দিয়া পৰামৰ্শ (Recommendations on Pre-Primary Education)

ইংৰাজ সকলে পোন প্ৰথমেই গুৰুত্ব আৰোপ কৰে প্ৰাক-প্ৰাথমিক শিক্ষাত। সেয়েহে তেওলোকে ভাৰতবৰ্ষৰ প্ৰাক-প্ৰাথমিক শিক্ষাৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি তলৰ পৰামৰ্শ সমূহ আগবঢ়াইছিল -

১। ৩ ৰ পৰা ৬ বছৰ বয়সৰ শিশুক প্ৰাক্-প্ৰাথমিক স্কুলত ভৰ্তি কৰিব লাগে।
২। নগৰ অঞ্চলত যিহেতু অধিক সংখ্যক শিশুপোৱা যায় তাত এই স্কুলৰ পৃথক ব্যৱস্থা কৰিব লাগে।

৩। গ্ৰাম্য অঞ্চলত এই নাৰ্চাৰী স্কুলবোৰক নিম্ন বুনিয়াদী স্কুলৰ লগত সংযোগ কৰিব লাগে।
৪। প্ৰাক-প্ৰাথমিক শিক্ষা বিনামূলীয়া কৰি তুলিব লাগে।
৫। প্ৰাক-প্ৰাথমিক বিদ্যালয় সমূহত কণ-কণ শিশু সকলৰ সজ আচৰণ, সজ অভ্যাস গঠন আদি বিষয়ৰ শিক্ষা দিব লাগে।
৬। নাৰ্চাৰী বিদ্যালয় সমূহক জাতীয় শিক্ষা আচনিত অৰ্ন্তভুক্ত কৰিব লাগে।
৭। এই শিক্ষা বাধ্যতামূলক কৰাৰ বাবে চেষ্টা চলাব লাগে, সেয়া কৰিব নোৱাৰিলেও শিশুক বিদ্যালয়ত পঠিয়াবলৈ অভিভাবকক সকলক উৎসাহিত কৰিব লাগে।
৮। এই বিদ্যালয়ৰ শিক্ষক সকল মহিলা হব লাগে আৰু তেওলোকক প্ৰশিক্ষণ দিব লাগে।

## প্ৰাথমিক শিক্ষা সম্বন্ধে দিয়া পৰামৰ্শ (Recommendations on Primary Education)

প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত জাতীয় শিক্ষা উপদেষ্টা সমিতিয়ে বুনিয়াদী শিক্ষাক স্বীকৃতি প্ৰদান কৰে। এই সম্বন্ধে দিয়া চাৰ্জেন্ট কমিটিৰ মূল পৰামৰ্শ সমূহ হ'ল —

১। বুনিয়াদী শিক্ষা বাধ্যতামূলক, বিনামূলীয়া আৰু সাৰ্বজনীন কৰিব লাগে।
২। নিম্ন বুনিয়াদী শিক্ষা ৬-১০ বছৰ বয়সৰ বাবে আৰু উচ্চ বুনিয়াদী ১১-১৪ বছৰ বয়সৰ বাবে হ'ব লাগে।
৩। বুনিয়াদী স্কুলবোৰক নিম্ন আৰু উচ্চ-বুনিয়াদী স্বৰূপে দুটা ভাগত বিভক্ত কৰিব লাগে।
৪। শিক্ষাৰ মাধ্যম মাতৃভাষা হব লাগে।
৫। হস্ত শিল্পৰ যোগেদি শিক্ষাৰ খৰছ বহন কৰা নীতি প্ৰত্যাহাৰ কৰিব লাগে।
৬। শিক্ষক সকলৰ মাহিলি দৰমহা ২০ টকাৰ কম হ'ব নালাগে।
৭। প্ৰশিক্ষণ প্ৰাপ্ত মহিলা শিক্ষকৰ সংখ্যা বৃদ্ধি কৰিব লাগে।
৮। ছাত্ৰ শিক্ষকৰ অনুপাত নিম্ন বুনিয়াদীত ৩০ ঃ১, বুনিয়াদীত ২৫ঃ১ আৰু হাইস্কুলত ২০ঃ১ হব লাগে।
৯। বুনিয়াদী শিক্ষা প্ৰথমে গাওঁ অঞ্চলত আৰম্ভ কৰিব লাগে।
১০। এই শিক্ষাত বহিঃ পৰীক্ষাৰ পৰিবৰ্তে আভ্যন্তৰীণ পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে।
১১। উচ্চ -বুনিয়াদী পৰ্য্যায়ৰ পাঠ্যক্ৰমত ছোৱালীৰ বাবে উপযুক্ত বিষয় যেনে - ৰন্ধন, বেজিৰ কাম, শিশুৰ যতন, প্ৰাথমিক চিকিৎসা আদি অন্তৰ্ভূক্ত কৰিব লাগে।

## মাধ্যমিক শিক্ষা সম্বন্ধে দিয়া পৰামৰ্শ (Recommendations on Secondary Education)

মাধ্যমিক শিক্ষা হল শিক্ষাৰ এটা অতি গুৰুত্বপূৰ্ণ স্তৰ। ইয়াক এটা স্বয়ংসম্পূৰ্ণ স্তৰ হিচাপে বিবেচনা কৰিবলৈ কমিটিয়ে পৰামৰ্শ দিয়ে। এই স্তৰৰ শিক্ষাৰ বাবে কমিটিয়ে দিয়া মূল পৰামৰ্শ সমূহ হ'ল —

১। মাধ্যমিক পৰ্য্যায়ৰ শিক্ষা ৬ বছৰীয়া হ'ব লাগে আৰু ই ছাত্ৰ-ছাত্ৰীৰ ১১-১৭ বছৰ বয়সৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগে। ১১ বছৰৰ কম বয়সৰ ল'ৰা -ছোৱালীক এই শিক্ষাৰ বাবে অন্তৰ্ভুক্ত কৰিব নালাগে।
২। উচ্চ শিক্ষাৰ বাবে বিশেষ যোগ্যতা আৰু অভিৰুচি থকা শিক্ষাৰ্থীকহে এই পৰ্য্যায়ৰ শিক্ষাৰ বাবে অৰ্ন্তভূক্ত কৰিব লাগে।



৩। মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাৰ শিক্ষা-মাচুল গ্ৰহণ কৰিব লাগে।
৪। দুখীয়া ছাত্ৰক বৃত্তি প্ৰদান কৰিব লাগে, যাতে তেওঁলোকে এই শিক্ষাৰ পৰা বঞ্চিত নহয়।
৫। মাধ্যমিক শিক্ষাৰ মাধ্যম মাতৃভাষা হব লাগে, ইংৰাজী ভাষাক দ্বিতীয় বাধ্যতামূলক ভাষা হিচাপে এই স্তৰত শিকাব লাগে।
৬। এই পৰ্য্যায়ৰ শিক্ষাত ছোৱালীৰ বাবে গাৰ্হস্থ্য বিজ্ঞান বিষয় অধ্যয়নৰ সুবিধা থাকিব লাগে।
৭। শিক্ষাৰ্থীক আত্ম নিৰ্ভৰশীল কৰি তোলাটো এই পৰ্য্যায়ৰ শিক্ষাৰ লক্ষ্য হ'ব লাগে।
৮। সকলোবোৰ স্বীকৃতি প্ৰাপ্ত স্কুলৰ শিক্ষকৰ দৰমহা কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে অনুমোদন কৰা অনুসৰিহে হ'ব লাগে যাতে উপযুক্ত লোকক এই বৃত্তিৰ প্ৰতি আকৰ্ষিত কৰিব পাৰি।
৯। শৈক্ষিক আৰু কাৰিকৰী এই দুই ধৰণৰ মাধ্যমিক শিক্ষা হ'ব লাগে আৰু ইয়াৰ পাঠ্যক্ৰম সেই অনুসৰি প্ৰস্তুত কৰিব লাগে।
১০। মাধ্যমিক শিক্ষাৰ নিম্নতম বাৰ্ষিক ব্যয় ৫০ কোটি টকা হোৱা উচিত।

## উচ্চ শিক্ষা সম্বন্ধে দিয়া পৰামৰ্শ (Recommendations on Higher Education)

উচ্চ শিক্ষাৰ সংস্কাৰৰ বাবে চাৰ্জেন্ট কমিটিয়ে আগবঢ়োৱা মূল পৰামৰ্শ সমূহ হল-

১। স্নাতক পৰ্য্যায়ৰ পাঠ্যক্ৰম তিনি বছৰীয়া কৰিব লাগে।
২। ইন্টাৰমিডিয়েট্ পৰ্য্যাই উঠাই দিব লাগে। একাদশ শ্ৰেণী হাই স্কুলৰ লগত সংযোগ কৰিব লাগে আৰু দ্বাদশ শ্ৰেণী বিশ্ববিদ্যালয়ত অন্তৰ্ভূক্ত কৰিব লাগে।
৩। এই পৰ্য্যায়ৰ শিক্ষাত ছাত্ৰ আৰু শিক্ষকৰ মাজত নিবিড় সম্পৰ্ক স্থাপন কৰিব লাগে।
৪। বিশ্ববিদ্যালয় অনুদান আয়োগ (Unversity Grants Commission) গঠন কৰিব লাগে।
৫। শিক্ষকৰ দৰমহা আৰু চাকৰিৰ অৱস্থা উন্নত হব লাগে।
৬। উচ্চ শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিবৰ বাবে উপযুক্ত শিক্ষকক নিযুক্তি দিব লাগে।
৭। এই পৰ্য্যায়ত উন্নত গবেষণাৰ ব্যৱস্থা কৰিব লাগে।
৮। উচ্চ শিক্ষাৰ বাৰ্ষিক ব্যয় ৬ লাখ ৭২ হেজাৰ টকা হোৱা উচিত।

## অন্যান্য পৰামৰ্শ সমূহ (Other Recommendations)

চাৰ্জেন্ট কমিটিয়ে ভাৰতবৰ্ষৰ শিক্ষাৰ সৈতে জড়িত সকলো দিশৰ ক্ষেত্ৰতেই পৰামৰ্শ আগবঢ়াইছিল। তেওলোকে কাৰিকৰী, বাণিজ্যিক, প্ৰাপ্তবয়স্ক শিক্ষা, শিক্ষকৰ শিক্ষা, বাধাগ্ৰস্ত সকলৰ শিক্ষাৰ ক্ষেত্ৰতো ভালেমান গুৰত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। ইয়াৰে কেইটামান গুৰুত্বপূৰ্ণ পৰামৰ্শ হল —

১। প্ৰতিটো পৰ্য্যায়ৰ শিক্ষকৰ বাবেই প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। এই প্ৰশিক্ষন বিমামূলীয়া কৰিব লাগে।
২। শিক্ষক সকলৰ বাবে পুণৰুদ্দীপন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

৩। বিশ্ববিদ্যালয়ত শিক্ষা বিভাগ স্থাপন কৰিব লাগে আৰু শিক্ষকৰ প্ৰশিক্ষণৰ বাবে নতুন প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপন কৰিব লাগে।
৪। কাৰীকৰি শিক্ষাৰ বিকাশৰ বাবে অংশ কালীন আৰু পূৰ্ণ কালীন দুয়োবিধ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
৫। ১০ ৰ পৰা ৪০ বছৰ বয়সৰ নিৰক্ষৰ লোক সকলৰ বাবে প্ৰাপ্ত বয়স্ক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
৬। প্ৰাপ্তবয়স্ক শিক্ষাৰ বাবে চিনেমা প্ৰদৰ্শন, নাট্যাভিনয়, চিত্ৰ প্ৰদৰ্শনী, ভ্ৰাম্যমান পুথিভঁৰাল আদিৰ ব্যৱস্থা কৰিব লাগে।
৭। পুৰুষ আৰু মহিলাৰ বাবে সুকীয়া প্ৰাপ্তবয়স্ক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
৮। প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ উপৰিও স্বেচ্ছাসেৱী অনুষ্ঠানক জড়িত কৰিব লাগে।
৯। দৈহিক আৰু মানসিক ভাবে বাধাগ্ৰস্ত সকলৰ শিক্ষা জাতীয় শিক্ষা ব্যৱস্থাৰ অপৰিহাৰ্য অংশ স্বৰূপে বিবেচনা কৰিব লাগে।
১০। বাধাগ্ৰস্ত সকলৰ অবস্থা অতি গুৰুতৰ নহলে তেওলোকক স্বাভাবিক শিশুৰ পৰা পৃথক নকৰি একেলগে শিক্ষা দিব লাগে।
১১। অবসৰ সময়ৰ শিক্ষাৰ বাবে সৰ্বভাৰতীয় ভিত্তিত এক যুব আন্দোলন গঢ়ি তুলিব লাগে।
১২। ৬-১৪ বছৰ বয়সৰ শিশুৰ স্বাস্থ্য পৰীক্ষা কৰিব লাগে।
১৩। সকলো ছাত্ৰ-ছাত্ৰীৰ দৈহিক কল্যান সাধন নিশ্চিত কৰিবলৈ আচনি প্ৰস্তুত কৰিব লাগে।
১৪। বিদ্যালয়ৰ পৰিবেশ শিশুৰ স্বাস্থ্যৰক্ষাৰ উপযোগী হব লাগে।

**চাৰ্জেন্ট কমিটিৰ প্ৰতিবেদনৰ এক সমীক্ষা (An Assessment of Sargent Committee Report)**

চাৰ্জেন্ট কমিটিৰ প্ৰতিবেদনক ভাৰতৰ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচনা কৰিব পাৰি। এই প্ৰতিবেদনত ভাৰতৰ শিক্ষাৰ সকলোবোৰ দিশ সামৰি লোৱা হৈছে। আনকি আগৰ কমিটি সমূহে বিশেষ দৃষ্টি নিক্ষেপ নকৰা কিছুমান বিষয়েও এই কমিটিখনে গুৰুত্ব সহকাৰে আলোচনা কৰিছিল। বিশেষকৈ প্ৰাক্ প্ৰাথমিক শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা, অৱসৰ সময়ৰ শিক্ষা, বাধাগ্ৰস্থ সকলৰ শিক্ষা আদি উল্লেখযোগ্য। অৱশ্যে এই কথা স্বীকাৰ কৰিব লাগিব যে এই প্ৰতিবেদন কাৰ্য্যকৰী কৰাৰ বাবে ইংৰাজ সকলে মাত্ৰ ৩ বছৰহে সময় পায়। কিয়নো ১৯৪৭ চনত তেওলোকে ভাৰতবৰ্ষৰ শাসনভাৰ ভাৰতীয় সকলৰ হাতত গটাই দি এই দেশ ত্যাগ কৰে। অৱশ্যে বহুতো ভাৰতীয় লোকে ইয়াৰ সমালোচনা নকৰাকৈ থকা নাই। কিছুমানে কব বিচাৰে যে এইখন ভাৰতীয় সকলক প্ৰতাৰণা কৰাৰ এখন দলিল স্বৰূপ। কিয়নো ভাৰতৰ শিক্ষাৰ বিকাশৰ বাবে ধাৰ্য্য কৰা ৪০ বছৰ বহু দীঘলিয়া সময়। গতিকে ই ভাৰতৰ শিক্ষাক পিছুৱাই নিয়াৰহে এক অভিসন্ধি। আনহাতে এই আচনি কাৰ্য্যকৰী কৰাৰ বাবে যথেষ্ট অৰ্থৰ প্ৰয়োজন। যিটো ভাৰতৰ আৰ্থিক পৰিস্থিতিত কাৰ্য্যকৰী কৰাটো যথেষ্ট কষ্টসাধ্য হব। সি যি কি নহওক, চাৰ্জেন্ট কমিটিৰ প্ৰতিবেদন ভাৰতৰ সামগ্ৰিক শিক্ষা বিকাশৰ স্বাৰ্থত এখন অতি গুৰুত্বপূৰ্ণ প্ৰতিবেদন স্বৰূপে সদায় বিবেচিত হৈ আহিছে।



## প্ৰশ্নাৱলী (Questions)

1. চাইমন আয়োগ কিমান চনত গঠন কৰা হৈছিল?
   In Which year Simon Commission was Appointed ?
2. চাৰ ফিলিপ হাৰ্টগ কোন?
   Who is Sir Philip Hartog
3. মাহাত্মা গান্ধীয়ে কোনখন বাতৰি কাকতত শিক্ষা সম্বন্ধীয় প্ৰবন্ধ লিখিছিল?
   In Which Newspaper Mahatma Gandhi wrote the articles on Education?
4. কোন চনত ৱাৰ্ধাত শিক্ষা সন্মিলন অনুষ্ঠিত হৈছিল?
   In Which year Wardha Education Conference was held?
5. ৱাৰ্ধা শিক্ষা সন্মিলনৰ অধ্যক্ষ কোন আছিল?
   Who was the Chairman of Wardha Education Conference?
6. বুনিয়াদী শিক্ষাৰ দুটা দোষ উল্লেখ কৰা।
   Mention Two defects of Basic Education.
7. বুনিয়াদী শিক্ষাৰ দুটা গুণ উল্লেখ কৰা ।
   Mention two Merits of Basic Education.
8. ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইনমতে শিক্ষাৰ কাৰ্য্যসমূহক কেইটা ভাগত ভাগ কৰা হৈছিল? ভাগ কেইটা কি কি?
   According to Goverment of India Act, 1935 all educational activities were divided into how many categories? What were the Categories?
9. চাৰ্জেন্ট কমিটিক অন্য কি কি নামেৰে জনা যায়?
   Sargent Committee is Known by which other name?
10. প্ৰাক্-প্ৰাথমিক শিক্ষাৰ বাবে কিমান বয়সৰ শিশুক অন্তৰ্ভুক্ত কৰিব লাগে বুলি চাৰ্জেন্ট কমিটিয়ে কৈছে?
    What is age group of Pre-Primary School Children according to Sargent Committee?
11. হাইস্কুলত ছাত্ৰ শিক্ষকৰ অনুপাত কিমান হব লাগে বুলি চাৰ্জেন্ট কমিটিয়ে উল্লেখ কৰিছে?
    What Should be the Student-Teacher ration for high School as mention by Sargent Committee?
12. কোনখন কমিটিয়ে বিশ্ববিদ্যালয় অনুদান আয়োগ স্থাপনৰ পৰামৰ্শ দিছিল?
    Which Committee Suggested for the establishment of University Grants Commission?
13. শিক্ষাত অপচয় আৰু অনুন্নয়নৰ অৰ্থ কি?
    What is the meaning of wastage and stagnation in education?

14. প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত হাৰ্টগ কমিটিয়ে আগবঢ়োৱা মূল পৰামৰ্শ সমূহ কি? আলোচনা কৰা
What Were the main recommendations of Hartog Committe regarding primary, Secondary and Higher education ? Discuss.
15. ভাৰত চৰকাৰৰ আইন, ১৯৩৫ ত থকা শিক্ষাৰ মূল ব্যৱস্থা সমূহৰ বিষয়ে আলোচনা কৰা।
Discuss about the educational Provisions of Government of India Act, 1935.
16. বুনিয়াদী শিক্ষাৰ মূল বৈশিষ্ট সমূহ উল্লেখ কৰা।
Mention the main Characteristics of Basic Education.
17. ৱাৰ্ধা শিক্ষা সন্মিলনৰ মূল প্ৰস্তাৱ সমূহ কি আছিল?
What were the main resolutions of Wardha Education Conference?
18. বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰমৰ বিষয়ে আলোচনা কৰা।
Discuss about the Curriculum of Basic education.
19. বুনিয়াদী শিক্ষাৰ এক সমালোচনাত্মক বিশ্লেষন আগবঢ়োৱা।
Make a critical analysis of Basic education.
20. বুনিয়াদী শিক্ষাৰ বিফলতাৰ কাৰণ সমূহ আলোচনা কৰা। আজিৰ পৰিপ্ৰেক্ষিতত এই শিক্ষাৰ প্ৰাসংগিকতা কিমান?
Discuss the causes of failure of Basic education. How for this system of education is relevant in todays Context.?
21. প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক শিক্ষা সম্বন্ধে চাৰ্জেন্ট কমিটিয়ে আগবঢ়োৱা মূল পৰামৰ্শ সমূহ কি? আলোচনা কৰা।
What were the main recommendations of Sargent Committee regarding Pre-primary and Primary education? Discuss.
22. চাৰ্জেন্ট কমিটিয়ে মাধ্যমিক শিক্ষাৰ বিষয়ে আগবঢ়োৱা পৰামৰ্শ সমূহ কি? এই পৰামৰ্শ সমূহে ভাৰতবৰ্ষৰ মাধ্যমিক শিক্ষাৰ বিকাশত কি ধৰণে সহায় কৰিছে? আলোচনা কৰা।
What were the recommendations of Sargent Committee on Secondary education. How far these recommendations have helped in the improvement of Secondary education in India? Discuss.
23. ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষাৰ বিকাশৰ বাবে চাৰ্জেন্ট কমিটিয়ে আগবঢ়োৱা পৰামৰ্শ সমূহৰ বিষয়ে আলোচনা কৰা।
Discuss about the recommendations of Sargent Committee for the improvement of University and Other education in India.

● ● ●



## গ্ৰন্থপঞ্জী


১। ভাৰতৰ শিক্ষাৰ ইতিহাস — ডঃ মুকুন্দ শৰ্মা, ডঃ কন্দৰ্প কুমাৰ ডেকা, ডঃ আভা মিশ্ৰ চক্ৰবৰ্তী, অসম বুক ডিপো, পাণবজাৰ, গুৱাহাটী-১

২। ভাৰতৰ শিক্ষা বুৰঞ্জী — ডঃ অজন্তা দত্ত বৰদলৈ। Lowyer Book Stall Panbazar, Guwahati, Assam , 2000

৩। আধুনিক ভাৰতৰ শিক্ষা ইতিহাস আৰু সমস্যাৱলী — তৰুণ কুমাৰ শৰ্মা। বনলতা, গুৱাহাটী-১ ডিব্ৰুগড়-১ ২০০১

৪। ভাৰতৰ শিক্ষা ইতিহাস — ড° ৰেণু দেবী। ষ্টুডেন্টচ্ ষ্টোৰচ্, গুৱাহাটী

৫। ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন — যতীন বৰুৱা। লয়াৰ্চ বুক ষ্টল।

৬। ভাৰতৰ শিক্ষা বুৰঞ্জী — গুৱাহাটী বিশ্ববিদ্যালয়। প্ৰকাশন বিভাগ।

৭। History of Indian Education — P. L. Rawal Ram Prasad and Sons, Agra 282003 , Bhopal 46200 1989

৮। History of Education in Indian — Dr. Siddheswar Saikia Guwahati : Mani Manik Prakash 1993.

৯। History of Education in Indian — Chaube, S. P.

১০। Reflection on Indian Education — Nanda, K. K.

১১। J. C. Aggarwal — Landmarks in The Vistory of Modern Indian Education., third revised eidition, 1986 Vikash Publishing House Pvt. Ltd., 576, Masjid Road, New Delhi-14

১২। Mukherji, S.N. — Education in India Today ands Tomorrow, Vinod Pustak Mandir, Agra-2

১৩। Naik. J. P. and — A Students history of Education in India

১৪। Numllah Syed 1800–1973, 6th revised edition, Machmillan Publishers India Ltd.